# 2021

( Held in 2022 )

## ASSAMESE

Paper : ASM–HE–5026

( অসমীয়া ৰমণ্যাসবাদী কবিতা )

( Honours Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'ৰমণ্যাসবাদ' নামৰ গ্ৰন্থখনিৰ লেখকগৰাকীৰ নাম কি?

(খ) অসমীয়া সাহিত্যত ৰমণ্যাসবাদৰ যুগ কেতিয়াৰ পৰা আৰম্ভ হৈছিল?

(গ) 'কবিতা হয় যদি হওঁক, নহয় যদি নহওঁক' বুলি কবিতা ৰচনা কৰা কবিগৰাকী কোন?

(ঘ) মফিজুদ্দিন আহমদ হাজৰিকাৰ 'আত্মন' নামৰ কবিতাটি কবিৰ কোনখন কবিতাপুথিৰ অন্তৰ্গত?

(ঙ) "কল্পনা প্ৰৱণতাৰ অসামান্য বিকাশেই ৰমণ্যাসবাদ। (Romanticism is the extraordinary development of imaginative sensibility.)" কথাষাৰ কোনে কৈছে?

(চ) ‘প্ৰিয়তমাৰ চিঠি’ নামৰ কবিতাটি কোন পাশ্চাত্য কবিৰ চনেটৰ আৰ্হিত ৰচনা কৰিছিল?

(ছ) সাহিত্য অকাডেমী পুৰস্কাৰপ্ৰাপ্ত প্ৰথম অসমীয়া সাহিত্যিকগৰাকীৰ নাম কি?

(জ) অম্বিকাগিৰি ৰায়চৌধুৰীয়ে ৰচনা কৰা প্ৰথম কবিতা-পুথিখনৰ নাম কি?

(ঝ) ৰঘুনাথ চৌধাৰীৰ ‘কেতেকী’ কবিতাটি কেইটা তৰংগত বিভক্ত?

(ঞ) শৈলধৰ ৰাজখোৱাৰ একমাত্ৰ কবিতাপুথিখনৰ নাম কি?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) “জোনাকীৰ পূৰ্বেই পাশ্চাত্য ইংৰাজী কাব্য কবিতাৰ প্ৰভাৱে অসমীয়া দুই এজন শিক্ষিত কবিক অনুপ্ৰাণিত কৰিছিল।” সেইসকলৰ ভিতৰৰ দুজনৰ নাম লিখা।

(খ) কোনগৰাকী কবিৰ, কোনটো কবিতাৰ যোগেদি অসমীয়া সাহিত্যলৈ ৰমণ্যাসিক কবিতাৰ আগমন ঘটে?

(গ) ৰোমাণ্টিক কবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) ‘শাপমুক্তা’ কবিতাত শাপভ্ৰষ্টা উৰ্বশীক কবিয়ে কি কি সম্বোধনেৰে উঠিবলৈ কৈছে?

(ঙ) বল্লকান্ত বৰকাকতিৰ কবিতাত প্ৰভাৱ পৰা এগৰাকী বিদেশী আৰু এগৰাকী স্বদেশী কবিৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) ৰমণ্যাস ভাবাদৰ্শৰ লগত সুৰ মিলাবলৈ অসমীয়া কবিসকলে কি কি অনুকূল পৰিৱেশ পাইছিল? আলোচনা কৰা।





(খ) “কোনে কয় সিটি হৰিণা পোৱালি
ইমান চেতনা নাই;
বনৰ সৌন্দৰ্যাই ৰূপ ধৰি আহি
দেও দি দুবৰি খায়।”

উক্ত কবিতাফাঁকিৰ মাজেৰে ৰমণ্যাসবাদী কবিতাৰ কি কি লক্ষণ প্ৰকাশ পাইছে, আলোচনা কৰা।

(গ) চনেট কবিতা কাক বোলে? ‘প্ৰিয়তমাৰ চিঠি’ কবিতাৰ আধাৰত চনেট কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা। ১+৪=৫

(ঘ) “শেৱালিৰ কবি ৰূপে খ্যাতি লাভ কৰা বল্লকান্ত বৰকাকতি মুখ্যতঃ প্ৰেমৰ কবি।” কথাষাৰ ‘বিশ্বহৰণ’ কবিতাৰ আধাৰত বিচাৰ কৰা।

(ঙ) ‘বিশ্বশিল্পী’ কবিতাৰ মাজেৰে প্ৰকৃত শিল্পীৰ স্বৰূপ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(চ) ‘আত্মন’ কবিতাৰ বিষয় আৰু মূলভাব লিখা।

৪। (ক) ৰমণ্যাসবাদ বুলিলে কি বুজা? ৰমণ্যাসবাদৰ লক্ষণসমূহ কি কি? অসমীয়া ৰমণ্যাসবাদী কবিতাৰ ক্ৰমবিকাশৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা। ২+৩+৫=১০

*অথবা*

(খ) অসমীয়া ৰমণ্যাসবাদী কবিতাৰ লক্ষণবোৰ বা বৈশিষ্ট্যবোৰ বিচাৰ কৰি চন্দ্ৰকুমাৰ আগৰৱালাৰ ‘নিয়ৰ’ কবিতাটোত কোনবোৰ লক্ষণ ফুটি উঠিছে, বিশ্লেষণ কৰা। ১০

৫। (ক) “তেওঁৰ কবিতাৰ মাজত প্ৰকাশ পোৱা প্ৰকৃতি সাধাৰণ হৈও অসাধাৰণ। আমাৰ চাৰিওফালৰ চিনাকি প্ৰকৃতিৰ তেওঁ কল্পনা আৰু অনুভৱেৰে এক বিচিত্ৰ মায়াময় ছবি আঁকিছে।” ৰঘুনাথ চৌধাৰীৰ ‘কেতেকী’ (প্ৰথম তৰংগ) কবিতাৰ আধাৰত উক্ত কথাষাৰৰ সত্যাসত্য বিচাৰ কৰা। ১০

*অথবা*

(খ) "যতীন্দ্ৰনাথ দুৱৰাৰ 'সোণোৱালী দেশ' নামৰ কবিতাত ৰমণ্যাসবাদী কবিতাৰ প্ৰেম, সৌন্দৰ্য, আশা-নিৰাশাৰ প্ৰতিফলন কিদৰে ঘটিছে, আলোচনা কৰি দুৱৰাৰ 'সোণোৱালী দেশ'ৰ স্বৰূপ সম্বন্ধে তোমাৰ ধাৰণা ব্যক্ত কৰা। ৭+৩=১০

৬। (ক) ৰহস্যবাদ বা অতীন্দ্ৰীয়বাদ বুলিলে কি বুজা? ইয়াৰ লক্ষণ 'পৰশমণি' কবিতাৰ মাজেৰে কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) "ৰাজখোৱাৰ নিমজ ৰচনাৰীতি, সাৱলীল ছন্দগতি, কল্পনাপ্ৰৱণ ৰোমাণ্টিক দৃষ্টিভংগীৰ অভিব্যক্তি কবিতাসমূহত লক্ষ্য কৰা যায়।" উক্ত কথাৰ ভিত্তিত শৈলধৰ ৰাজখোৱাৰ 'বিদায়পৰত' কবিতাৰ এক আলোচনা আগবঢ়োৱা। ১০

৭। (ক) 'হে জননী ভাৰতবৰ্ষ' কবিতাত ভাৰতীয় ঐক্য-সংহতি আৰু ৰমণ্যাসিক আশাবাদৰ ছবি কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা। ১০

*অথবা*

(খ) ৰমণ্যাসিক ভাবাদৰ্শৰ আধাৰত 'শাপমুক্তা' আৰু 'লালকিল্লা' কবিতা দুটাৰ সাদৃশ্য বিচাৰ কৰা। ১০

★★★

*অথবা*

(খ) ‘‘যতীন্দ্ৰনাথ দুৱৰাৰ ‘সোণোৱালী দেশ’ নামৰ কবিতাত ৰমণ্যাসবাদী কবিতাৰ প্ৰেম, সৌন্দৰ্য, আশা-নিৰাশাৰ প্ৰতিফলন কিদৰে ঘটিছে, আলোচনা কৰি দুৱৰাৰ ‘সোণোৱালী দেশ’ৰ স্বৰূপ সম্বন্ধে তোমাৰ ধাৰণা ব্যক্ত কৰা। ৭+৩=১০

৬। (ক) ৰহস্যবাদ বা অতীন্দ্ৰীয়বাদ বুলিলে কি বুজা? ইয়াৰ লক্ষণ ‘পৰশমণি’ কবিতাৰ মাজেৰে কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) ‘‘ৰাজখোৱাৰ নিমজ বচনাৰীতি, সাৱলীল ছন্দগতি, কল্পনাপ্ৰৱণ ৰোমাণ্টিক দৃষ্টিভংগীৰ অভিব্যক্তি কবিতাসমূহত লক্ষ্য কৰা যায়।’’ উক্ত কথাৰ ভিত্তিত শৈলধৰ ৰাজখোৱাৰ ‘বিদায়পৰত’ কবিতাৰ এক আলোচনা আগবঢ়োৱা। ১০

৭। (ক) ‘হে জননী ভাৰতবৰ্ষ’ কবিতাত ভাৰতীয় ঐক্য-সংহতি আৰু ৰমণ্যাসিক আশাবাদৰ ছবি কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা। ১০

*অথবা*

(খ) ৰমণ্যাসিক ভাবাদৰ্শৰ আধাৰত ‘শাপমুক্তা’ আৰু ‘লালকিল্লা’ কবিতা দুটাৰ সাদৃশ্য বিচাৰ কৰা। ১০

★★★

# 2021

( Held in 2022 )

## ASSAMESE

Paper : ASM–HE–5036

( শংকৰদেৱ )

( Honours Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) শংকৰদেৱে ৰচনা কৰা এখন ভক্তিতত্ত্বমূলক গ্ৰন্থৰ নাম লিখা।

(খ) শংকৰদেৱে ৰচনা কৰা 'জয় জয় নৃপতি ৰসজ্ঞান' শীৰ্ষক ৰাজভটিমাটিত কোন ৰজাৰ প্ৰশস্তি বৰ্ণিত হৈছে?

(গ) বৰগীতসমূহক কোনে song celestial আখ্যা দিছিল?

(ঘ) 'কীৰ্তনঘোষা'ৰ খণ্ডসমূহ কোনে একত্ৰিত কৰি গ্ৰন্থৰ ৰূপ দিছিল?

(ঙ) মুক্তিমংগল ভটিমা কি ?

(চ) হৰিশ্চন্দ্ৰ উপাখ্যান কাব্যৰ মূল কি ?

(ছ) 'পাৰিজাত হৰণ' নাট অনুসৰি ইন্দ্ৰই কাৰ অভিযোগ লৈ কৃষ্ণৰ ওচৰ চাপিছিল ?

(জ) 'সাৰংগপানি হে' শীৰ্ষক বৰগীতটোত উল্লেখিত 'নিৰয়-নিৱাৰ' শব্দই কি বুজাইছে ?

(ঝ) কীৰ্ত্তনৰ শিশুলীলা খণ্ডত উল্লেখ থকা মতে শিশু কৃষ্ণই গোবৰ্দ্ধন ধাৰণ কৰি কাৰ দৰ্প চূৰ কৰিছিল ?

(ঞ) 'হৰিশ্চন্দ্ৰ উপাখ্যান' কাব্যৰ আৰম্ভণিতে বশিষ্ঠ মুনিয়ে ৰজা হৰিশ্চন্দ্ৰক কোন দেৱতাৰ পূজা কৰিবলৈ নিৰ্দেশ দিছিল ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) শংকৰদেৱে ৰচনা কৰা প্ৰথমখন আৰু অন্তিমখন অংকীয়া নাট কি আছিল ?

(খ) 'নাৰায়ণ কাহে' শীৰ্ষক বৰগীতটোত থকা 'অগ নগ জগ তেৰি কায়া' গীতাংশত উল্লেখিত 'অগ' আৰু 'নগ' শব্দৰ অৰ্থ লিখা।

(গ) কীৰ্ত্তনৰ গজেন্দ্ৰ উপাখ্যান খণ্ডত 'দশোদিশে প্ৰকাশিয়া শোভে শুক্লগিৰি' বুলি কোন পৰ্বতৰ কথা উল্লেখ কৰা হৈছে ? এই পৰ্বতখন কোন সাগৰৰ মাজত অৱস্থিত ?

(ঘ) ৰজা হৰিশ্চন্দ্ৰৰ পত্নী আৰু পুত্ৰৰ নাম কি আছিল ?

(ঙ) অদিতি কোন ? তেওঁ কৃষ্ণক কিয় আশীৰ্বাদ দিছিল ?





৩। উত্তৰ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) শংকৰদেৱৰ সাহিত্যৰাজিৰ শ্ৰেণীবিভাজন কৰি দেখুওৱা।

(খ) গজেন্দ্ৰ উপাখ্যানত ভক্তিৰ মাহাত্ম্য কিদৰে প্ৰকাশ পাইছে ?

(গ) 'নাৰায়ণ কাহে' শীৰ্ষক বৰগীতটোৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

(ঘ) 'হৰিশ্চন্দ্ৰ উপাখ্যান' কাব্যত সন্নিৱিষ্ট বিশ্বামিত্ৰ ঋষিৰ চৰিত্ৰটো বিশ্লেষণ কৰা।

(ঙ) অংকীয়া নাটৰ বিশেষত্বসমূহ উল্লেখ কৰা।

(চ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা :

"দেবী সত্যভামা, তোহাৰি স্বামী শ্ৰীকৃষ্ণক
বৰি বিষম চেষ্টা দেখল, হাঁ হাঁ মাৰ, তুহু
দুৰ্ভাগা ভেলি, হামু আজুসে জানলোঁ॥"

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) বৈষ্ণৱ সাহিত্যৰ পটভূমি সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(খ) বৰগীতৰ বিশেষত্বসমূহ উদাহৰণসহ আলোচনা কৰা।

(গ) 'কীৰ্ত্তনঘোষা'ৰ জনপ্ৰিয়তাৰ কাৰণসমূহ বিশ্লেষণ কৰা।

(ঘ) 'হৰিশ্চন্দ্ৰ উপাখ্যান কাব্যত অসমীয়া সমাজজীৱনৰ চিত্ৰ কিদৰে উদ্ভাসি উঠিছে, আলোচনা কৰা।

(ঙ) ‘পাৰিজাত হৰণ’ নাটৰ ৰস সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(চ) ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ কাব্যত কবিৰ মৌলিকতা বিচাৰ কৰা।

(ছ) ‘কীৰ্ত্তনঘোষা’ গ্ৰন্থত দাৰ্শনিকতত্ত্ব কিদৰে প্ৰকাশিত হৈছে, বৰ্ণনা কৰা।

(জ) ‘পাৰিজাত হৰণ’ নাটত পঞ্চসন্ধিৰ প্ৰয়োগ দেখুৱাই এটি আলোচনা যুগুত কৰা।

★★★